# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————————

চাহ বাগিচাৰ লাইনৰ ভূমিৰ স্বত্ব বাগিচাৰ শ্ৰমিকক দিয়াৰ উদ্দেশ্যে নৱেম্বৰ মাহত অসম বিধানসভাত এখন বিধেয়ক উত্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাটৰ মৰিয়নীত ঘোষণা কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ঊনবিংশতিতম দ্বিবাৰ্ষিক সাধাৰণ অধিৱেশন আৰু অসম চাহ জনজাতি মহিলা সমিতিৰ কেন্দ্ৰীয় দ্বিবাৰ্ষিক সাধাৰণ অধিৱেশনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে অহা ২৫ নৱেম্বৰত এই বিধেয়ক উত্থাপন কৰা হ'ব। চাহ জনগোষ্ঠীৰ লোকসকলৰ শিক্ষাৰ প্ৰয়োজনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা বৰ্ষৰ জানুৱাৰী মাহত এশখন হাইস্কুল চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে মুকলি কৰা হ'ব।

**বাইট (চি এম)**

ৰাজ্যৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থীৰ বাবে তিনিখনৰ পৰিৱৰ্তে চাৰিখন আসন সংৰক্ষণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। ঠিক তেনেদৰে ৰাজ্যৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ চৰকাৰী চাকৰিত চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে ৩ শতাংশ চৰকাৰী চাকৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে।

ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে অসমৰ জাতীয় জীৱনৰ অন্যতম শক্তিশালী সংগঠন অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰতিষ্ঠা কালৰে পৰা চাহ জনগোষ্ঠী লোকসকলৰ নায্য প্ৰাপ্তিৰ দাবীৰে সংগ্ৰাম কৰি আহিছে। ছাত্ৰ সন্থাই জনগোষ্ঠীটোক শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিকভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অবিৰতভাৱে চেষ্টা কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ দুয়োটা সংগঠনকে চাহ জনগোষ্ঠীৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। কালিৰ এই অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰূপজ্যোতি কুৰ্মী, সঞ্জয় কিষাণ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ পল্লৱ লোচন দাস আদি ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে আজি অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট ছিংগাপুৰলৈ ৰাওনা হ'ব। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলৰ দুজনীয়া দলটোৱে ছিংগাপুৰত গৈ জুবিনৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিব। এছ আই টিৰ দলটোৱে কাইলৈ ছিংগাপুৰৰ আৰক্ষীৰ সৈতে আনুষ্ঠানিকভাৱে মিলিত হ'ব। অসম আৰক্ষীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ জৰিয়তে ছিংগাপুৰ এটৰ্নী জেনেৰেললৈ তদন্তত সহযোগ বিচাৰি পত্ৰ প্ৰেৰণ কৰাৰ পাছতে ছিংগাপুৰ আৰক্ষীয়ে এছ আই টিক সহযোগ কৰাৰ সেউজ সংকেত প্ৰদান কৰে। ইয়াৰ পাছতে আজি অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট ছিংগাপুৰলৈ ৰাওনা হ'ব।

ইফালে জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে কালি ৰাজ্যৰ বিভিন্ন স্থানত মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত হয়। শিল্পীগৰাকীৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিক্ষেত্ৰত নিশাজুৰি ডিমৰীয়াবাসী ৰাইজে গীতা পাঠ, সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জনায়।

০০০০০০

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে ৰাজ্যৰ জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপনৰ বাবে সাজু হৈছে। এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাব। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু অন্যান্য পোহৰৰ সামগ্ৰীৰে বজাৰসমূহ ভৰি পৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে। ৰাজ্যপালগৰাকীয়ে সহমৰ্মিতা, পাৰস্পৰিক সহানুভূতি আৰু সৌহাৰ্দ্য বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। পোহৰৰ উৎসৱ দীপাৱলীয়ে নিৰাশাৰ বিপৰীতে সত্য, আশা আৰু পোহৰৰ জয় সাব্যস্ত কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে।

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাসগৃহসমূহ আলোকমালাৰে সজাই তোলা হৈছে। বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী উদযাপন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে।

ৰাজ্যৰ প্ৰতিখন জিলাতে জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি দীপাৱলী উদযাপন কৰিবলৈ লোৱা হৈছে। বৰপেটাত থলুৱা আতচবাজী বিক্ৰেতাসকলে প্ৰস্তুত কৰা আতচবাজী বজাৰত উপলব্ধ হৈছে। নগাঁও জিলাৰ মৃৎ শিল্পীসকলে ৩০-৪০ হাজাৰ মাটিৰ চাকি বিক্ৰী কৰিছে। এইবাৰ জিলাখনৰ জনসাধাৰণে মাটিৰ চাকিৰে বাসগৃহৰ চৌদিশ পোহৰোৱাৰ বাবে সাজু হৈছে। একেদৰে বিভিন্ন প্ৰান্তৰ কালী মন্দিৰসমূহত ধৰ্মীয় পৰম্পৰাৰে শ্ৰীশ্ৰী কালী পূজা সম্পন্ন কৰাৰ বাবে প্ৰস্তুতিও সম্পূৰ্ণ হৈছে। শিলচৰৰ ১২৪ বছৰ পুৰণি শ্মশানঘাট কালীমন্দিৰত আজি নিশা কালী পূজা অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত